সম্পাদকীয়

Guwahati, Thursday, October 15, 2026

দৈনিক জনমভূমি



অনাকাংক্ষিত ঘটনাৰ কৰাল গ্ৰাসত মানুহৰ ভৱিষ্যৎ

কুশল কুমাৰ দাস

প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগে মানুহক ভাৰাক্ৰান্ত কৰি ৰখাৰ সমান্তৰালকৈ সমাজত হত্যা-হিংসা আৰু অনাকাংক্ষিত দুৰ্ঘটনাৰ ঘটনাপ্ৰবাহে সামূহিক বাতৰৰণত বাধাৰ সৃষ্টি কৰিছে। কোনো কালে নোহোৱা-নোপজা একোটা বাৰ্তাই তথাকথিত সমাজত বিৰূপ প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। দুই-এটা সাধাৰণ ঘটনাৰ বাহিৰে কিছুমান অবাঞ্ছিত পৰিঘটনা আৰু পৰিৱেশক লৈ মানুহ এতিয়া খুবেই চিন্তিত। লোকগীতত থকা 'এই দেহাৰ ভৰসা নাই' জন্ম-মৃত্যু সম্পৰ্কীয় ধাৰণা আজিৰ বাতাৱৰণক লৈ নিশ্চয় প্ৰচলিত নাছিল; জন্ম-মৃত্যুৰ ক্ষেত্ৰত নেদেখাজনৰ প্ৰভাৱ থাকে আৰু তেনে অনুভৱৰ কথাহে লোকগীতত উল্লেখ কৰিছে। সেইদৰে শংকৰদেৱেও লিখিছে— 'বাটে-ঘাটে কৈত মিলয় মৰণ। সদায় নেৰিবা কৃষ্ণৰ চৰণ।।' জন্ম-মৃত্যু ইশ্বৰৰ ওচৰত থাকে। কোন, কেতিয়া, কেনেদৰে দুৰ্ঘটনা বা হত্যা-হিংসাৰ বলি হ'ব লগা হয়, ইয়াৰ কোনো নিশ্চয়তা নাই। সমাজৰ সকলোতে দুৰন্ত গতিত পৰিবৰ্তনৰ ধুমুহা বলিছে, এটা বিশেষ সভ্যতাৰ সন্মুখত নানান প্ৰত্যাহ্বানে গৰজি উঠিছে; পৰম্পৰাগত সকলো নীতি নিয়ম সলনি হ'বলৈ বেছিপৰ নাই; কিবা যেন এক নতুনৰ আগমন সন্মুখত বৈ আছে সমগ্ৰ মানৱ সমাজৰ। সেয়ে

> দেখি-শুনি-চুই চোৱা সম্পদ নিজৰ কৰি ল'ব নোৱৰাই বৰ্তমান সময়ৰ ডাঙৰ বিষাদ। ভাল হওক বেয়া হওক বিবেচনা নকৰাকৈ প্ৰাপ্তিৰ পিছত দৌৰি ফুৰা মানুহৰ জীৱনৰ লক্ষ্য হৈ পৰিল। নিশ্চিত বাটত খোজ দিয়ক বা নিদিয়ক, সক্ষমতা থাকক বা নাথাকক, নিজৰ হাবিয়াস পূৰণৰ বাবে মানুহৰ অসম্পাদিত জীৱনৰ প্ৰতিযোগিতা, মানে আউল লগা জীৱন। সেয়ে, বৰ্তমান সময়ৰ মানুহৰ জীৱন ধাৰণৰ ব্যাখ্যা সহজ হৈ থকা নাই। কিদৰে বৰ্তমান সময়ত মানুহে নিজক সান্ত্বনা দিব?

কিজানি সহজ মৃত্যুৰ সৈতে জটিল জীৱন যাপন সাধাৰণ হৈ পৰিছে। বৰ্তমান সময়ৰ ডাঙৰ সমস্যাটো হৈছে কোনোৱে কাৰো বাবে তিলমান সময়ো সেৱাৰ মনোভাৱেৰে নিজক আগবঢ়াই দিব নোৱৰাটো। বাধা গতিৰ অন্তৰায় হ'ব নোৱাৰে যদিও সৰু-সুৰা বাধাৰ মুখামুখি হ'বলৈ মানুহৰ ধৈৰ্য নাই। তদুপৰি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখনো প্ৰতিজন মানুহৰ বাবে প্ৰতিদিনে বৃদ্ধি পাইছে। মুক্ত অৰ্থনীতিৰ যুগত মানুহৰ জীৱন-ধাৰণৰ সকলো সামগ্ৰীৰ সৈতে চিনাকি হোৱাই নহয়, লিৰিকি বিদাৰি চোৱাৰ সুবিধা পাইছে। নিজৰ বয়স অনুসৰি সামগ্ৰীৰ পৰিচিতি লাভ কৰাৰ পাছত তেনে সামগ্ৰীৰ প্ৰতি মনত আকাংক্ষাৰ পোকে কিলবিলাই থাকে। তেনে এক দৌৰাত্মৰ যন্ত্ৰ হৈছে ম'বাইল, যাৰ অবিহনেও এসময়ৰ পৃথিৱী গতিশীল আছিল যদিও মানৱজাতি বিশেষভাৱে সক্ষম লোকৰ দৰে যেন-তেন জীয়াই থাকিবলৈ ম'বাইল অপৰিহাৰ্য হৈ পৰিছে। অকল ম'বাইল হ'লেই নহ'ব; ইয়াৰ প্ৰধান আত্মা হৈছে ছিম কাৰ্ড। যাৰ অবিহনে ম'বাইলৰ দেহা বিকল হৈ থাকে। তদুপৰি ছিমখনক উচিত পাৰিতোষিকেৰে মাহেকে-পয়েকে খুৱাই-বুৱাই (মানে ৰিচাৰ্জ) থাকিব লাগিব। তাতেই আকৌ আন্তঃজাল (নেট) নাথাকিলে কোনো কামে নহয়। যুগৰ লগত জীয়াই থাকিবলৈ লোভনীয় এপসমূহ আছেই; মুঠৰ ওপৰত আমাৰ হাতৰ মুঠিত বিশ্বখনক ৰখাবলৈ সকলোতকৈ দৰকাৰী হৈ পৰিছে ম'বাইল। নহ'লে দিনতে অন্ধকাৰ, জীৱন বৰ্বাদ বা মুৰ্দাবাদ। বৰষুণ পৰা ঘৰত টিন-চালি লগালে সমস্যা কিছুদিনলৈ নাথাকে, কিন্তু ম'বাইলক সম্পূৰ্ণৰূপে ভৰণ-পোষণ দিব নোৱাৰিলে জীৱন জীৱন হৈ নাথাকে। অনাদি কালৰ বাবে ম'বাইলৰ পেট-পোষণ প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰিবলৈ মেটমৰা ধনৰ ভঁৰাল এটা থাকিবই লাগিব। এই হাতৰ মুঠিত থকা যন্ত্ৰবিষে মানুহক দিন-ৰাতি যেতিয়াই মন যায়, তেতিয়া সজাগ কৰি তোলে। জন্মৰ পৰা মৃত্যুলৈ, কিনা-বেচা, ধন-সম্পদৰ আদান-প্ৰদান, আবেদন-নিবেদন, পঢ়া-শুনা, তথ্য-পাতি আহৰণ, নামভৰ্তি সম্পাদন, ফুৰা-চকা, হিচাপ-নিকাচ ইত্যাদি ইত্যাদি। এতিয়া ভাবক আৰু অনুভৱ কৰক। সেয়ে 'আইৰ সমান হ'ব কোন?' কথাষাৰৰ আঁত ধৰি ক'ব পাৰি 'ম'বাইলৰ সমান হ'ব কোন?' প্ৰবচনে হৃদয়ে হৃদয়ে ঠাই ল'লে। ইয়াৰ পাছতো মানুহৰ হৃদয়বৃত্তি সলনি নোহোৱাটোহে আচৰিত। ইয়াৰ ফলতে আমাৰ মাজৰে মানুহবোৰ অমানুহ হ'বলৈ ধৰিছে। মানৱতাৰ শ্ৰুতলিপি পাঠ কৰিবলৈ মানুহে আহৰি নোপোৱা হ'ল। মানৱ সভ্যতা এতিয়া যি প্ৰতিযোগিতাৰ লগত জড়িত, তাত মানৱীয় প্ৰবৃত্তিসমূহ তিলতিলকৈ নিঃশেষ হোৱা তেনেই সাধাৰণ কথা হৈ পৰিল।

চকুলোৰ অভাৱ হ'লে যেনেদৰে চকু শুকায় যায়, তেনেকৈ চকুৰ সন্মুখতে দেখা সম্পদসমূহ নিজৰ কৰি ল'ব নোৱৰাটোৱেই জীৱনৰ ব্যৰ্থতা বুলি ভবা হয়। দেখি-শুনি-চুই চোৱা সম্পদ নিজৰ কৰি ল'ব নোৱৰাই বৰ্তমান সময়ৰ ডাঙৰ বিষাদ। ভাল হওক বেয়া হওক বিবেচনা নকৰাকৈ প্ৰাপ্তিৰ পিছত দৌৰি ফুৰা মানুহৰ জীৱনৰ লক্ষ্য হৈ পৰিল। নিশ্চিত বাটত খোজ দিয়ক বা নিদিয়ক, সক্ষমতা থাকক বা নাথাকক, নিজৰ হাবিয়াস পূৰণৰ বাবে মানুহৰ অসম্পাদিত জীৱনৰ প্ৰতিযোগিতা, মানে আউল লগা জীৱন। সেয়ে, বৰ্তমান সময়ৰ মানুহৰ জীৱন ধাৰণৰ ব্যাখ্যা সহজ হৈ থকা নাই। কিদৰে বৰ্তমান সময়ত মানুহে নিজক সান্ত্বনা দিব? উপায়বিহীন সকলো মানুহ। সময়ৰ অগ্ৰগামী সোঁতত মানুহৰ জীৱন ধাৰণৰ প্ৰণালী সঘনাই সলনি হোৱাত মানৱ সভ্যতা ক্ৰমান্বয়ে ভয়াবহ সংকটৰ ফালে ঢাপলি মেলিছে। প্ৰতিটো দিনত মানুহে পোৱা অস্বাভাৱিক খবৰবোৰৰ সৈতে সহবাস কৰা নিত্যনৈমিত্তিক অভ্যাসত পৰিণত হৈছে। মানসিকভাৱে ভাৰাক্ৰান্ত হোৱা আৰু তেনেদৰে বাৰু মানৱ সভ্যতা কিমান দিনলৈ আগুৱাই যাব? এনে দুঃচিন্তাই প্ৰতিজন মানুহক গ্ৰাস কৰি ৰাখে। সমাজত অসন্তোষৰ ঘটনাপ্ৰবাহ থাকিবই, কিন্তু কোনোকালে নোহোৱা-নোপোজা কিছুমান খবৰে জীৱন-প্ৰেৰণাৰ বাটত হেঙাৰ হিচাপে থিয় দিছে। পল-অনুপল কেৱল মৃত্যুৰ খবৰৰ দ্বাৰা মানুহ জীয়াই থাকিব পাৰেনে? কোনো কোনোৱে শান্তিৰে জীয়াই থাকিবলৈ সাময়িকভাৱে সামাজিক মাধ্যমসমূহক ব্যৱহাৰ কৰে, কিন্তু তাতো যেন শান্তি নাই। কাৰণ কোনো মানুহে সমাজবহিৰ্ভূত হৈ জীয়াই থাকিব নোৱাৰে, সামাজিক মাধ্যমক বয়কট কৰিলেও অন্তৰালে-পন্থকালে শ্ৰুতিদুষ্ট খবৰবোৰে লগ এৰা নিদিয়ে। মানসিকভাৱে মানুহ কিমান শক্তিশালী হ'লে তথাকথিত সমাজৰ লগত পোন হৈ থাকিব পাৰিব? জীৱ বিজ্ঞানীয়ে মানুহৰ পৰিৱেশৰ সৈতে সন্তুলন বৰ্তাই ৰখা বিশেষ শক্তি থকাৰ বাবেহে মানৱ সভ্যতা এতিয়াও আছে বুলি ক'ব খোজে। সমাজত হত্যা-হিংসাৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাৰ লগত জড়িত প্ৰাথমিক কাৰক হিচাপে শোষণ, অন্যায়, অপমান, শাৰীৰিক-মানসিক অত্যাচাৰ, প্ৰৱঞ্চনা, প্ৰতাৰণাৰ লগতে অভাৱ-অনাটন আদিৰ বাবে হিতাহিত জ্ঞান বিলুপ্ত হ'লে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হয়। সমাজত হত্যা-হিংসা পূৰ্বতেও আছিল যদিও বৰ্তমান সময়ৰ ঘটনাবোৰে মানুহৰ মানসিকতা প্ৰমাণ কৰিছে। মানুহৰ নিকৃষ্ট মানসিকতা ইমানে ঘৃণনীয় হৈ পৰাটোহে মানৱ জাতিৰ বাবে চিন্তনীয়। হনিমুনৰ ব্যৱে ইন্দোৰৰ পৰা আহি শিলঙত ন-কন্যা সোণম ৰঘুবংশীয়ে স্বামী ৰাজা ৰঘুবংশীক শীতল মস্তিষ্কৰে কৰা হত্যাৰ ঘটনা ২০২৫ চনৰ মে' মাহত সংঘটিত হৈছিল; ঠিক তেনেকৈ অলপতে গুৱাহাটীত ৰামানুজ গোস্বামীয়ে বিয়া তালুকদাৰক হত্যা কৰা দুয়োটা ঘটনাই বিপৰীতধৰ্মী আছিল। ব্যক্তি বিশেষে নানান মত-বিৰোধ কিম্বা সংঘাত থকা সাধাৰণ কথা। এনেধৰণৰ সংঘাত অধিক সক্ৰিয় কৰি ৰখাত হাতত থকা ম'বাইলটোৰ সাৰ-পানী যোগোৱাত বিশেষ ভূমিকা থাকে। ন্যায় ব্যৱস্থাত ম'বাইলটোক আজিকালি বিশেষ প্ৰমাণসিদ্ধ উপকৰণ হিচাপে গণ্য কৰা হয়, লগতে মুদ নোখোৱা চকু (চি চি কেমেৰা) আছেই। বিজ্ঞানৰ ইমানবোৰ প্ৰয়োজনীয় বৈদ্যুতিন ডিভাইচ থকাৰ পাছতো মানুহৰ মাজত হত্যা-হিংসাই ন ন ৰূপ লোৱাৰ কাৰণ মানুহৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখন নহয়নে? হত্যা-হিংসাই এনে অৱস্থালৈ গতি কৰিছে যে প্ৰতিদিনে যেনি-তেনি সদ্যোজাত শিশুৰ পৰা বৃদ্ধ, জীয়াৰী-বোৱাৰী, সুঠাম ডেকা-ডেকেৰীৰ মৃতদেহৰ খবৰ জীয়াই থকাসকলে হজম কৰিব লগা হৈছে। হত্যা-হিংসা, পথ দুৰ্ঘটনাত মানুহৰ মৃত্যুক সহজভাৱে ল'ব পৰা কঠোৰ হৃদয়ৰ অধিকাৰী হোৱাৰ খোজত মানৱ জাতি বহুখিনি আগবাঢ়িছে। সেয়ে মৃত্যুৰ খবৰ মানুহৰ হিচাপ বহীৰ এটা অংক হৈ পৰিল। কেন, কেতিয়া, কেনেকৈ, ক'ত মৃত্যু হ'ল নিজে জীয়াই থকা দিনত মনত ৰখাহে জৰুৰী; নহ'লে নিজৰ মা-দেউতাৰ জন্ম-মৃত্যুৰ তাৰিখো পাহৰি যাব লগা হ'ব পাৰে। এনে এটা দিনত আমি উপনীত হৈছোঁ যে আজি প্ৰতিজন মানুহ তথা পৰিয়াল সাজু থাকিব লাগিব, নিজৰ কিম্বা ওচৰ চুবুৰীয়া কোনোবাৰ হত্যা-হিংসা নতুবা পথ দুৰ্ঘটনাত মৃত্যু হ'ব পাৰে। 'মোৰ কোনো শত্ৰু নাই, গতিকে মই নিষ্কণ্টক' এনে ফিটাহি মৰা কথাৰ কোনো মূল্য নাই। কাৰণ ৰাষ্ট্ৰৰ যমদূতে বিড়িয়াই মাতে, তীব্ৰ গতিত অট্টহাস্য কৰা বাহনৰ দুৰ্ঘটনাত প্ৰতিদিনে পৃথিৱীত আনুমানিক ৩২৬০জনৰ মৃত্যু হয়। ভাৰতবৰ্ষত আনুমানিক ৪৮০-ৰ পৰা ৫০০ আৰু প্ৰতিঘণ্টাত ২০জনকৈ মানুহৰ মৃত্যু হয়। আচৰিত কথা যে অসমত গড় হিচাপত প্ৰতিদিনে ১১জনকৈ লোক পথ দুৰ্ঘটনাত মৃত্যু হয়। এনে হত্যা-হিংসা আৰু দুৰ্ঘটনাৰ খবৰবোৰৰ সৈতে অভ্যস্ত হ'ব পৰা শক্তি এটাও গঢ় লৈ উঠাত গোটেই সমাজখনে নতুন ৰূপ পোৱা যেন লাগিছে। মানুহে দুখ বা শোকাৰ্ত হৈ বেছি সময়লৈ থকাৰ দিন উকলি গৈছে; বস্তুবাদী ভাবধাৰাই সকলোকে ধুই নিয়াৰ পাছত চৌপাশৰ সম্পদসমূহে খিলখিলাই হাঁহি বিদ্ৰূপেৰে থকা-সৰকা কৰে। শোক আঁতৰি পলাই পতং দিয়ে। দুখত মৰ্মাহত হোৱাৰ অনুভৱ বেছিদিনলৈ নাথাকে। অসমৰ দুই-এটা জনগোষ্ঠীৰ মৃতকৰ গৃহত গৃহস্থৰ দুখ পাতলাবলৈ ফুৰ্তি-তামচা, গান-বাজনা, ৰং-ৰহইচ কৰাৰ পৰম্পৰা আছে। সকলো সমাজৰ ক্ষেত্ৰত এনে পৰম্পৰা প্ৰৱেশ কৰিলে অনাকাংক্ষিত হত্যা-হিংসা আৰু দুৰ্ঘটনাৰ ফলত সৃষ্টি হোৱা দুখ-শোক-বেজাৰ নাইকিয়া হোৱাৰ পথ প্ৰশস্ত হ'ব। স্বাভাৱিকভাৱে তেনে পৰিৱেশ সকলো সমাজত গঢ় লৈ উঠা যেনো ভাব হয়, অনাগত দিনত অবাঞ্ছিত ঘটনা কেতিয়াও কমি নাযায়, বৰঞ্চ বৃদ্ধিহে পাব। কাৰণ বিজ্ঞানৰ অগ্ৰগতিত মানুহৰ প্ৰয়োজনীয় সামগ্ৰীৰ ন ন সংযোজন আৰু সেইবোৰৰ লগত ব্যস্ততা লগতে ভূতৰ ওপৰত দানহ পৰাৰ দৰে কৃত্ৰিম বুদ্ধিমত্তাই প্ৰতি ছেকেণ্ডত মন-মগজুক প্ৰভাৱান্বিত কৰি ক'ব পৰা ক'লৈ মানুহক লৈ যাব পাৰে, ইয়াৰ উত্তৰ বিজ্ঞানেও দিব পৰা নাই। বৰ্তমান সময়ত মানুহে নিজক পৰিচালনা কৰা শক্তি হেৰুৱাই পেলাইছে। প্ৰতিজন মানুহক পৰিচালনা কৰে যন্ত্ৰই। যন্ত্ৰ-নিৰ্ভৰ বৰ্তমান যুগত মানুহে যন্ত্ৰৰ দাসত্ব মানি ল'বলৈ বাধ্য।।



■ ফ'ন: ৯১০১১-২২৬৩৮